**18 E—ADAS**

# 2018

## ADVANCE ASSAMESE

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) গুৰুগৃহৰ পৰা শংকৰদেৱে কেনেকৈ পলাইছিল আৰু ফলত কি হৈছিল, চমুকৈ লিখা। ৫

*অথবা*

(খ) সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে অংকীয়া নাটত কি ৰস প্ৰকাশ পাইছে, আলোচনা কৰা। ৫

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ১×৫=৫

(ক) 'অসমীয়া ব্যাস'ৰূপে কোনজন কবি পৰিচিত?

(খ) হেমচন্দ্ৰ গোস্বামীৰ জন্মস্থান ক'ত?

(গ) অসমীয়া সাহিত্যত 'ভাঙনি কোঁৱৰ' বুলি কোনজন সাহিত্যিকক কোৱা হয়?

(ঘ) প্ৰসন্নলাল চৌধুৰীৰ এখন কবিতা-পুথিৰ নাম উল্লেখ কৰা।

(ঙ) অসিজীৱী মানে কি?

৩। চমু টোকা লিখা (যি কোনো দুটা) : ৩×২=৬

কথা-গুৰুচৰিত ; কৃষ্ণকান্ত সন্দিকৈ ; মুচলিনী ; তক্ষশিলা।

৪। (ক) ‘প্ৰহ্লাদ চৰিত্ৰ’ কবিতাটিৰ মতে হিৰণ্যকশিপু কেনেদৰে নিধন হ’ল, লিখা। ৫

*অথবা*

(খ) ‘শিৱৰ কৃষি-কৰ্ম’ কবিতাটিৰ মাজেদি শিৱৰ লৌকিক ৰূপটো কিদৰে ফুটি ওলাইছে, বৰ্ণনা কৰা। ৫

৫। প্ৰসংগ-সংগতি দৰ্শাই তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা : ২+৩=৫

(ক) “কুকুৰা ঠেংগীয়া এই আখৰকিটিত
যি অমিয়া ঘঁহা আছে, ক’তো আৰু নাই।”

(খ) “সুগন্ধি গোলাপ নিজানত ফুলি
নিজানত গ’ল সৰি।”

৬। তলৰ যি কোনো এজন কবিৰ চমু পৰিচয় দিয়া : ৫

মহেন্দ্ৰ বৰা ; প্ৰসন্নলাল চৌধুৰী ; হেম সৰস্বতী।

৭। চমু উত্তৰ দিয়া : ১×৪=৪

(ক) শ্ৰীমন্ত শংকৰদেৱৰ শিক্ষাগুৰুৰ নাম কি?

(খ) শ্ৰীমন্ত শংকৰদেৱ বিৰচিত প্ৰথম পুথিখনৰ নাম লিখা।

(গ) ড০ সত্যেন্দ্ৰনাথ শৰ্মাই লিখা এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) নিট্‌চে কোন?

৮। 'টিকেন্দ্ৰজিৎ' নাটকৰ নাট্যকাৰ কোন? ই কোন শ্ৰেণীৰ নাটক? এই নাটকৰ নায়কৰ চৰিত্ৰটিৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১+১+৪=৬

৯। (ক) যি কোনো দুটা চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা : ৩×২=৬

সুৰচন্দ্ৰ ; মি. কুইন্টন ; মধুমঞ্জৰী ; ঠঙাল।

(খ) "লক্ষ্য মহৎ কিন্তু পথ দুৰ্গম। এই বিষয়ে ভাবি চাব লাগিব ডাঙৰীয়া।" কোনে, কাক, কি 'দুৰ্গম পথ'ৰ কথা কৈছে, লিখা। ১+১+৪=৬

(গ) "... হামি দিল্লী মে লেখি দিব। আভি কোন ৰাজা হ'ব তুমি হামাকে কহি দিব লাগে হেনাপতি।" এই উক্তিৰ বক্তা কোন? তেওঁ কাক এনেকৈ ৰজা হোৱাৰ কথা ক'বলৈ কৈছে? ১+১=২

১০। (ক) 'যীশুখৃষ্টৰ ছবি' গল্পটোত মিলিটাৰি সম্পৰ্কে কেনে ধাৰণা প্ৰকাশ পাইছে, লিখা। ৫

*অথবা*

(খ) ঠাকুৰে ৰন্ধা-বঢ়া কৰিবলৈ লোৱাৰ পিছত মঞ্জুলাৰ কেনেধৰণৰ সুবিধা আৰু অসুবিধা হৈছিল, বুজাই লিখা। ৫

১১। (ক) নিৰুপমা বৰগোহাঞিৰ চাৰিখন গল্প-পুথিৰ নাম লিখা। ২

(খ) চৈয়দ আব্দুল মালিকে সাহিত্যৰ ক্ষেত্ৰত লাভ কৰা বঁটা আৰু সন্মানৰ বিৱৰণ দিয়া। ৩

১২। (ক) ছন্দ কাক বোলে? ই কেইবিধ? প্ৰতিবিধৰে সূত্ৰ লিখি উদাহৰণ দিয়া। ২+১+৩=৬

(খ) তলৰ যি কোনো দুবিধ ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া : ২+২=৪

কুসুমমালা ; ছবি ; লেচাৰি।

১৩। (ক) কবিতা বুলিলে কি বুজা? ইয়াৰ চাৰিটা বৈশিষ্ট্যৰ বিষয়ে লিখা। ২+৪=৬

*অথবা*

(খ) নাটকৰ উপাদানসমূহ কি কি? ইয়াৰ যি কোনো দুবিধ উপাদানৰ বিষয়ে চমুকৈ লিখা। ৩+৩=৬

১৪। তলৰ যি কোনো দুটাৰ বিষয়ে চমুকৈ লিখা : ২+২=৪

(ক) বুৰঞ্জীমূলক নাটক

(খ) কথা-কবিতা

(গ) নাটকৰ চৰিত্ৰ

১৫। কবি হিচাপে লক্ষ্মীনাথ বেজবৰুৱা অথবা আনন্দচন্দ্ৰ আগৰৱালাৰ এটি পৰিচয় দাঙি ধৰা। ৫

১৬। পদ্মনাথ গোহাঞিবৰুৱা নাইবা চন্দ্ৰধৰ বৰুৱাৰ নাটকসমূহৰ নাম উল্লেখ কৰি এটি চমু আলোচনা দাঙি ধৰা। ৫

১৭। চমু উত্তৰ দিয়া : ১×৫=৫

(ক) কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ এখন নাটকৰ নাম উল্লেখ কৰা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এখন বুৰঞ্জীমূলক নাটকৰ নাম লিখা।

(গ) পদ্মনাথ গোহাঞিবৰুৱাৰ এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ নাট্যকাৰ কোন?

(ঙ) 'বীণ-ব'ৰাগী' কবিতা-পুথিখনৰ ৰচক কোন?

★★★